জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২০৮/২০২১

# অসম বিধানসভা চৌহদত নৱনিৰ্মিত বিধানসভা স্বাস্থ্যসেৱা কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে

## ৰাইজৰ সেৱাৰ বাবে প্ৰতিমুহূৰ্ততে সক্ৰিয় হৈ থাকিবলৈ বিধায়কসকল সুস্বাস্থ্যৰ অধিকাৰী হ'বই লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৩ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম বিধানসভাৰ বিধায়ক আৱাস চৌহদৰ ভিতৰত নতুনকৈ নিৰ্মাণ কৰা বিধানসভা স্বাস্থ্য সেৱা কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ পৰা নিজৰ হেলথ্ কাৰ্ডখনো আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে।

উল্লেখযোগ্য যে আজি মুকলি কৰা এই বিধানসভা স্বাস্থ্য সেৱা কেন্দ্ৰত ফাৰ্মাচী, লেবৰেটৰী, ফিজিঅ' থেৰাপি ক্লিনিক আদি বিভিন্ন সা-সুবিধা উপলব্ধ হ'ব। এই চিকিৎসালয়ত ২৪ ঘণ্টাই উপলব্ধ হোৱাকৈ ৪ গৰাকী চিকিৎসক, ৪ গৰাকী ফাৰ্মাচিষ্ট আৰু ৮ গৰাকী নাৰ্চে সেৱা আগবঢ়াব। তদুপৰি সপ্তাহৰ ৫ টা দিন গুৱাহাটী মেডিকেল কলেজৰ পৰা অহা এগৰাকী বিশেষজ্ঞ চিকিৎসকেও এই চিকিৎসালয়ত সেৱা আগবঢ়াব। এই চিকিৎসালয়ত চিকিৎসা গ্ৰহণৰ বাবে বিধায়কসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গ তথা বিধানসভা সচিবালয়ৰ বিষয়া-কৰ্মচাৰীসকলক একোখনকৈ ডিজিটেল হেলথ্ কাৰ্ড প্ৰদান কৰা হ'ব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাইজৰ সেৱাৰ বাবে প্ৰতিমুহূৰ্ততে সক্ৰিয় হৈ থাকিবৰ বাবে বিধায়কসকল সুস্বাস্থ্যৰ অধিকাৰী হ'বই লাগিব। সেয়েহে প্ৰতিগৰাকী বিধায়ককে নিজৰ স্বাস্থ্য যতনৰ প্ৰতি গুৰুত্ব দিবলৈ আহ্বান জনাই তেওঁ কয় যে আজি মুকলি কৰা এই চিকিৎসালয়ে বৰ্তমান আৰু পূৰ্বৰ বিধায়কসকল তথা তেওঁলোকৰ পৰিয়ালৰ সদস্যসকল আৰু বিধানসভা সচিবালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ চিকিৎসাজনিত সেৱাৰ বাবে এক ডাঙৰ সকাহ হ'ব। বিধান সভাৰ বৰ্তমানৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বিধানসভা চৌহদৰ আন্তঃগাঁথনিৰ সংস্কাৰ সাধনৰ দিশত গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বাবে তেওঁক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিধানসভাৰ পৰৱৰ্তী অধিৱেশনৰ কাৰ্যসূচী নতুন বিধানসভা ভৱনত অনুষ্ঠিত কৰিব পৰা যাব বুলিও তেওঁ আশাবাদী। এই ক্ষেত্ৰত প্ৰয়োজনীয় পুঁজি চৰকাৰে ইতিমধ্যে আবণ্টন কৰাৰ প্ৰসংগও তেওঁ উল্লেখ কৰে।

বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকা, অসমৰ বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ লগতে কেইবাগৰাকীও মন্ত্ৰী-বিধায়ক উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**

১৩/০৮/২০২১

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in